Total number of printed pages–23

4 (Sem–4/CBCS) HG 1/2 (INDE/MF)

2026

COMMERCE

(Honours Generic)

Answer the Questions from any one Option.

OPTION–A

Paper : COM–HG–4016

(Indian Economy)

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam

OPTION–B

Paper : COM–HG–4026

(Microfinance)

Full Marks : 80

Time : Three hours

The figures in the margin indicate full marks for the questions.

*Answer **either** in English **or** in Assamese.*

OPTION–A

Paper : COM–HG–4016

(Indian Economy)

1. Answer ***any ten*** of the following : 1×10=10

তলত দিয়া *যিকোনো দহটাৰ* উত্তৰ দিয়া ঃ

(a) State the main objective of North Eastern Council (NEC).

উত্তৰ-পূৰ পৰিষদৰ প্ৰধান উদ্দেশ্যটো লিখা।

(b) Who is the chairperson of NITI Aayog ?

নীতি আয়োগৰ অধ্যক্ষ কোন ?

(c) As per 2011 Census of India which state has the highest literacy rate ?

ভাৰতৰ ২০১১ চনৰ লোক পিয়ল অনুসৰি কোনখন ৰাজ্যৰ সাক্ষৰতাৰ হাৰ সৰ্বোচ্চ ?

(d) Who is called the father of 'Green Revolution' in India ?

ভাৰতত 'সেউজ বিপ্লৱৰ' পিতৃ বুলি কাক কোৱা হয় ?

(e) What is the 'inflation target' set by the Government of India for the period of 2021–2026 ?

২০২১-ৰ পৰা ২০২৬ চনৰ এই সময়ছোৱাৰ কাৰণে ভাৰত চৰকাৰৰ নিৰ্ধাৰিত মুদ্ৰাস্ফীতিৰ হাৰ কিমান ?

(f) Define budget.

বাজেটৰ সংজ্ঞা দিয়া।

(g) In which year National Rural Employment Guarantee Act (NREGA) was launched ?

ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ সুনিশ্চিতকৰণ আইনখন কোন চনত বলবৎ কৰা হৈছিল ?

(h) In which type of unemployment marginal productivity of the labour is zero ?

কোন প্ৰকাৰৰ নিবনুৱাৰ ক্ষেত্ৰত শ্ৰমিকৰ প্ৰান্তিক উৎপাদিকা শক্তি শূন্য হয় ?

(i) What is decentralised planning ?

বিকেন্দ্ৰীভূত পৰিকল্পনা মানে কি ?

(j) Define fiscal deficit.

বিত্তীয় ঘাটতিৰ সংজ্ঞা দিয়া।

Nagaon College Library * Nagaon, Assam *

(k) What is sex-ratio ?

লিংগানুপাত কি ?

(l) Mention *any two* cash crops grown in India.

ভাৰতত উৎপাদিত *যিকোনো দুবিধ* নগদী শস্যৰ নাম উল্লেখ কৰা।

(m) What is 'Hindu Rate of Growth' ?

'হিন্দু বিকাশ'ৰ হাৰ' কি ?

(n) In which year the first 'Human Development Report' was published ?

কোন চনত প্ৰথম 'মানৱ উন্নয়ন প্ৰতিবেদন' প্ৰকাশ কৰা হৈছিল ?

(o) Define per-capita income.

জনমুৰি আয়ৰ সংজ্ঞা দিয়া।

2. Answer ***any five*** of the following : (within **30** words) 2×5=10

তলত দিয়া *যিকোনো পাঁচটাৰ* উত্তৰ দিয়া ঃ (৩০টা শব্দৰ ভিতৰত)

(a) What are the *three* pillars of 'Act East Policy' ?

'পূৰ্বলৈ চোৱা নীতিৰ' স্তম্ভ *তিনিটা* কি কি ?

Anandaram Dekial College Library * Nagaon : Assam * Acc. No. Date

(b) What is cyclical unemployment ?

চক্ৰীয় নিবনুৱা কি ?

(c) Distinguish between relative poverty and absolute poverty.

আপেক্ষিক দৰিদ্ৰতা আৰু সম্পূৰ্ণ দৰিদ্ৰতাৰ মাজৰ পাৰ্থক্য লিখা।

(d) What is privatisation ?

ব্যক্তিগতকৰণ মানে কি ?

(e) Mention the main objectives of economic planning.

অৰ্থনৈতিক পৰিকল্পনাৰ প্ৰধান উদ্দেশ্যসমূহ উল্লেখ কৰা।

(f) Briefly explain the concept of balance of payments (BOP).

বৈদেশিক বাণিজ্যৰ লেনদেনৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।

(g) Mention *two* important reasons for the decline of the handicraft industry in India during the British period.

বৃটিছৰ সময়ছোৱাত ভাৰতত হস্তশিল্পৰ অৱনতিৰ *দুটা* প্ৰধান কাৰণ উল্লেখ কৰা।

(h) What is sustainable development ?

বহনক্ষম উন্নয়ন মানে কি ?

3. Answer ***any four*** of the following : (within **250** words) 5×4=20

তলত দিয়া *যিকোনো চাৰিটাৰ* উত্তৰ দিয়া ঃ (২৫০টা শব্দৰ ভিতৰত)

(a) What is food security ? How is it implemented by the Govt. under the National Food Security Act, 2013 ?

খাদ্য সুৰক্ষা কি ? ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩-ৰ অধীনত ইয়াক চৰকাৰে কেনেদৰে কাৰ্যকৰী কৰিছে ?

(b) Discuss the difference between import-substitution and export promotion.

আমদানি বিকল্পীকৰণ আৰু ৰপ্তানি প্ৰচাৰৰ মাজত থকা পাৰ্থক্য আলোচনা কৰা।

(c) Examine the relation between economic growth and reduction in poverty.

অৰ্থনৈতিক উন্নয়ন আৰু দৰিদ্ৰতা নিৰাৰণৰ মাজত থকা সম্পৰ্কটো পৰীক্ষা কৰা।

(d) Explain the concept of Multi-dimentional Poverty Index (MPI).

বহুমাত্ৰিক দৰিদ্ৰতা সূচকৰ ধাৰণাটো ব্যাখ্যা কৰা।

(e) Explain *three* achievements and *two* failures of economic planning in India.

ভাৰতীয় অৰ্থনৈতিক পৰিকল্পনাৰ *তিনিটা* সফলতা আৰু *দুটা* বিফলতা ব্যাখ্যা কৰা।

(f) Discuss the role of FDI in economic growth of India.

ভাৰতৰ অৰ্থনৈতিক উন্নয়নত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ ভূমিকা আলোচনা কৰা।

(g) Write a short note on the sectoral composition of national income in India in recent times.

সাম্প্ৰতিক কালত ভাৰতীয় জাতীয় আয়ৰ ক্ষেত্ৰভিত্তিক সংযোজনৰ ওপৰত এটি চমু টোকা লিখা।

(h) Explain *five* common features of the underdeveloped countries.

অনুন্নত দেশৰ *পাঁচটা* উমৈহতীয়া বৈশিষ্ট্য ব্যাখ্যা কৰা।

4. Answer ***any four*** of the following : (within **650** words) 10×4=40

তলত দিয়া *যিকোনো চাৰিটাৰ* উত্তৰ দিয়া ঃ (৬৫০টা শব্দৰ ভিতৰত)

(a) Explain the impact of Covid-19 on Indian economy. State few initiatives undertaken by Govt. of India for recovery of the economy in recent times. 7+3=10

ভাৰতীয় অৰ্থনীতিত কোভিড-১৯-ৰ প্ৰভাৱ ব্যাখ্যা কৰা। সাম্প্ৰতিক কালত অৰ্থনীতিটোৰ পুনৰুদ্ধাৰৰ বাবে ভাৰত চৰকাৰে লোৱা কেইটামান পদক্ষেপ লিখা।

(b) Explain briefly the causes of low rate of industrialisation in the North-Eastern region. Suggest few measures for speeding up the pace of industrialisation in this region. 6+4=10

উত্তৰ-পূৰ্বাঞ্চলত লেহেমীয়া উদ্যোগীকৰণৰ হাৰৰ কাৰণসমূহ চমুকৈ ব্যাখ্যা কৰা। এই অঞ্চলত উদ্যোগীকৰণৰ গতি বৃদ্ধিৰ কাৰণে কেইটামান পৰামৰ্শ দিয়া।

(c) Examine the achievement and failures of green revolution. Is green revolution technology viable in the long run? 7+3=10

কৃষি বিপ্লৱৰ সফলতা আৰু বিফলতাসমূহ পৰীক্ষা কৰা। দীৰ্ঘকালত সেউজ বিপ্লৱ প্ৰযুক্তি কাৰ্যকৰী হয়নে ?

(d) Explain the recent measures taken by Govt. of India for poverty eradication and employment generation. 5+5=10

দৰিদ্ৰতা দূৰীকৰণ আৰু নিয়োগ সৃষ্টিৰ বাবে ভাৰত চৰকাৰে লোৱা শেহতীয়া ব্যৱস্থাসমূহ আলোচনা কৰা।

(e) What is globalisation? Critically examine the impact of globalisation on Indian economy with reference to industry and trade. 2+8=10

Anandaram Dhekiyal Phookan College Library Acc. No. Nagaon : Assam

গোলকীকৰণ মানে কি ? উদ্যোগ আৰু বাণিজ্যৰ প্ৰসংগত ভাৰতীয় অৰ্থনীতিত গোলকীকৰণৰ প্ৰভাৱ সমালোচনামূলকভাৱে পৰীক্ষা কৰা।

(f) Explain the objectives of monetary policy of India. Explain briefly various tools of monetary policy to achieve price stability in India. 5+5=10

ভাৰতৰ মুদ্ৰানীতিৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰা। ভাৰতত দৰ সুস্থিৰতা আনিবলৈ মুদ্ৰানীতিৰ অন্তৰ্গত ব্যৱহাৰ হোৱা বিভিন্ন ধৰণৰ সজুলিসমূহ চমুকৈ ব্যাখ্যা কৰা।

(g) What are the reasons for failure of several public sector enterprises in India? Examine the advantages and disadvantages of privatisation. 5+5=10

ভাৰতত কেইবাখনো ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বিফলতাৰ কাৰণসমূহ কি ? ব্যক্তিগতকৰণৰ সুবিধা আৰু অসুবিধাসমূহ পৰীক্ষা কৰা।

(h) What is service sector? Discuss the contribution of service sector towards India's GDP. Highlight the reasons for the dominance of service sector in Indian economy since 1991. 1+4+5=10

সেৱাখণ্ড কি ? ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনত সেৱাখণ্ডৰ বৰঙনি আলোচনা কৰা। ১৯৯১ চনৰ পৰা ভাৰতীয় অৰ্থনীতিত সেৱাখণ্ডৰ আধিকত্যৰ কাৰণসমূহ দৃষ্টিগোচৰ কৰা।

(i) Discuss the status of agriculture and industry at the time of independence in India. 5+5=10

স্বাধীনতাৰ সময়ছোৱাৰ ভাৰতীয় কৃষি আৰু উদ্যোগখণ্ডৰ অৱস্থাটো আলোচনা কৰা।

(j) What is human development ? Why is human development necessary for a country for its overall development ? Explain the components of human development. 1+5+4=10

মানৱ উন্নয়ন কি ? এখন দেশৰ সামুহিক বিকাশৰ বাবে মানৱ উন্নয়ন কিয় প্ৰয়োজনীয় ? মানৱ উন্নয়নৰ উপাদান-সমূহ ব্যাখ্যা কৰা।

———

Anundoram Dihingia Phookan College Library Acc. No. Date Nagaon : Assam

OPTION–B

Paper : COM–HG–4026

(Microfinance)

1. Choose the most appropriate answer of ***any ten*** questions from the multiple choices given against each : 1×10=10

প্ৰতিটোৰ বিপৰীতে উল্লেখিত বিভিন্ন বিকল্পৰ পৰা *যিকোনো দহটা* প্ৰশ্নৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

(i) The microfinance institution who got license to undertake pure banking activities in India was

ভাৰতবৰ্ষত বিশুদ্ধ বেংকিং কাৰ্য কৰিবলৈ অনুজ্ঞাপত্ৰ পোৱা ক্ষুদ্ৰবিত্ত অনুষ্ঠানটো আছিল

(a) SEWA (সেৱা)

(b) Bandhan Bank (বন্ধন বেংক)

(c) Basix (বেচিক্স)

(d) SKS microfinance (এচ কে এচ ক্ষুদ্ৰবিত্ত)

(ii) The Reserve Bank of India was established in the year_____.

ভাৰতীয় ৰিজাৰ্ভ বেংক স্থাপন কৰা হৈছিল _____ চনত।

(a) 1934 (১৯৩৪)

(b) 1935 (১৯৩৫)

(c) 1949 (১৯৪৯)

(d) 1955 (১৯৫৫)

(iii) "Companies registered under section 8 of the Companies Act, 2013 are prohibited to distribute dividend to its members." This statement is

"কোম্পানী আইন ২০১৩-ৰ ৮নং ধাৰাৰ অধীনত পঞ্জীয়নভুক্ত হোৱা কোম্পানীক ইয়াৰ সদস্যসকলক লভ্যাংশ বিতৰণ কৰাত নিষেধ কৰা হৈছে।" উক্তিটো

(a) True (শুদ্ধ)

(b) False (অশুদ্ধ)

...n College Library ... Nagaon: Assam

(iv) The activities of microfinance in India is governed by

ভাৰতবৰ্ষত ক্ষুদ্ৰবিত্তৰ কার্য নিয়ন্ত্রণ কৰে

(a) the Cooperative Societies Act, 1904

সমবায় সমিতি আইন, ১৯০৪

(b) the Reserve Bank of India Act, 1934

ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪

(c) the Companies Act, 1956

কোম্পানী আইন, ১৯৫৬

(d) All of the above

ওপৰৰ আটাইকেইটা

(v) Microfinance extends its activities to

ক্ষুদ্ৰবিত্তই ইয়াৰ কার্য সম্প্রসাৰণ কৰে

(a) rural areas

গ্রাম্য অঞ্চললৈ

(b) urban areas

নগৰ অঞ্চললৈ

(c) Both (a) and (b)
(a) আৰু (b) দুয়োটাই

(d) None of the above
ওপৰোক্ত এটাও নহয়

(vi) Which of the following is not a financial risk ?
নিম্নোক্ত কোনটো বিত্তীয় ক্ষতিশংকা নহয় ?

(a) Credit risk
ঋণৰ ক্ষতিশংকা

(b) Liquidity risk
তাৰল্যৰ ক্ষতিশংকা

(c) Operational risk
কার্যকৰণৰ ক্ষতিশংকা

(d) Interest rate risk
সুদৰ হাৰৰ ক্ষতিশংকা

(vii) Self Help Group—Bank Linkage programme was initiated by
আত্মসহায়ক গোট বেংক সংযোগী আঁচনি আৰম্ভ কৰিছিল

(a) SBI (এচ বি আই-এ)

(b) NABARD (নাবার্ড-এ)

(c) SIDBI (চিডবি-এ)

(d) RBI (আৰ বি আই-এ)

(viii) The concept of financial inclusion was first introduced in India in the year
বিত্তীয় ভুক্তকৰণৰ ধাৰণাটো ভাৰতবর্ষত প্রথমে প্রবর্তন কৰা হৈছিল _____ চনত।

(a) 2004 (২০০৪)

(b) 2005 (২০০৫)

(c) 2006 (২০০৬)

(d) 2007 (২০০৭)

(ix) Microfinance is provided by
ক্ষুদ্র বিত্ত আগবঢ়ায়

(a) cooperative bank
সমবায় বেংকে

(b) commercial bank
বাণিজ্যিক বেংকে

(c) non-banking finance companies
অনা বেংকিং বিত্ত কোম্পানীসমূহে

(d) All of the above
ওপৰৰ আটাইকেইটা

College Library Nagaon : Assam

(x) "The rate of interest associated with the microcredit is higher compared to formal banks." The statement is
"ক্ষুদ্র ঋণৰ লগত জড়িত থকা সুদৰ হাৰ তুলনামূলকভাৱে আনুষ্ঠানিক বেংকতকৈ অধিক।" উক্তিটো
(a) True (শুদ্ধ)
(b) False (অশুদ্ধ)

(xi) Prof. Md. Yunus initiated
প্ৰফেছৰ মহম্মদ ইউনুছে আৰম্ভ কৰিছিল
(a) group model
গোট আৰ্হি
(b) grammen model
গ্ৰামীণ আৰ্হি
(c) cooperative model
সমবায় আৰ্হি
(d) community banking model
সামাজিক বেংকিং আৰ্হি

(xii) Microcredit is provided for
ক্ষুদ্র ঋণ আগবঢ়োৱা হয়
(a) undertaking income generating activities
উপার্জন বৃদ্ধি কার্য হাতত লবলৈ

(b) household consumption
ঘৰুৱা ব্যয়ৰ বাবে
(c) construction of house
গৃহ নির্মাণৰ বাবে
(d) All of the above
ওপৰৰ আটাইকেইটা

(xiii) Which of the following is not a micro-finance product?
নিম্নোক্ত কোনটো ক্ষুদ্র বিত্তৰ সামগ্রী নহয় ?
(a) Microcredit
ক্ষুদ্র ঋণ
(b) Microsavings
ক্ষুদ্র সঞ্চয়
(c) Microenterprise
ক্ষুদ্র উদ্যোগ
(d) Microinsurance
ক্ষুদ্র বীমা

(xiv) Microcredit includes
ক্ষুদ্র ঋণত অন্তর্ভুক্ত
(a) small loans
কম পৰিমাণৰ ঋণ

College Library No. Nagaon : Assam

(b) microsavings

ক্ষুদ্র সঞ্চয়

(c) Both (a) and (b)

(a) আৰু (b) দুয়োটাই

(d) Microinsurance

ক্ষুদ্র বীমা

(xv) Which of the following is a correct statement with regard to microfinance ?

নিম্নোক্ত কোনটো ক্ষুদ্রবিত্ত সম্পর্কত শুদ্ধ বিবৃতি ?

(a) Microfinance is the provision of financial services to low income people.

ক্ষুদ্রবিত্ত হল নিম্ন আয়ৰ লোকলৈ আগবঢ়োৱা বিত্তীয় সেৱা।

(b) Microfinance extends financial support to poor women only.

ক্ষুদ্রবিত্তই কেৱল দৰিদ্ৰ মহিলাসকললৈহে বিত্তীয় সমৰ্থন আগবঢ়ায়।

(c) Microfinance extends financial support to the rural poor women only.

ক্ষুদ্রবিত্তই কেৱল গাৱৰ দৰিদ্ৰ মহিলাসকললৈহে বিত্তীয় সমৰ্থন আগবঢ়ায়।

(d) None of the above.

ওপৰোক্ত এটাও নহয়।

2. Answer ***any five*** of the following questions in about **50** words each : 2×5=10

নিম্নোক্ত *যিকোনো পাঁচটা* প্ৰশ্নৰ প্ৰতিটোৰ ৫০টা শব্দৰ ভিতৰত উত্তৰ লিখা ঃ

(a) Write the full form of NABARD and NEDFI.

NABARD আৰু NEDFI -ৰ সম্পূৰ্ণ ৰূপটো লিখা।

(b) Write *two* features of Self Help group.

আত্মসহায়ক গোটৰ *দুটা* বৈশিষ্ট্য লিখা।

(c) What is fund management ?

পুঁজি ব্যৱস্থাপনা মানে কি ?

(d) What are various types of non-financial services offered by microfinance institutions ?

ক্ষুদ্রবিত্ত প্ৰতিষ্ঠানে আগবঢ়োৱা বিভিন্ন প্ৰকাৰৰ অনাবিত্তীয় সেৱাসমূহ কি কি ?

(e) Distinguish between microfinance and microcredit.

ক্ষুদ্রবিত্ত আৰু ক্ষুদ্রঋণৰ মাজত থকা পাৰ্থক্য নিৰ্ণয় কৰা।

(f) What is financial inclusion ?

বিত্তীয় ভুক্তকৰণ কি ?

(g) What is women empowerment ?

মহিলা সৱলীকৰণ মানে কি ?

an College Library No. Nagaon : Assam

(h) Write the meaning of microfinance.

ক্ষুদ্রবিত্তৰ অর্থ লিখা।

3. Answer ***any four*** of the following questions in about **200** words each : 5×4=20

নিম্নোক্ত প্রশ্নসমূহৰ *যিকোনো চাৰিটাৰ* উত্তৰ প্রতিটো ২০০টা মান শব্দৰ ভিতৰত দিয়া ঃ

(a) Briefly explain the performance management of microfinance institutions.

ক্ষুদ্রবিত্ত প্রতিষ্ঠানৰ কর্মমান ব্যৱস্থাপনা সংক্ষিপ্তে ব্যাখ্যা কৰা।

(b) Explain the needs for regulation of microfinance and microfinance institutions in India.

ভাৰতবর্ষত ক্ষুদ্রবিত্ত আৰু ক্ষুদ্রবিত্ত প্রতিষ্ঠানৰ নিয়ন্ত্রণৰ প্রয়োজনীয়তা ব্যাখ্যা কৰা।

(c) State how operational efficiency and productivity can be measured.

কার্যকৰণৰ দক্ষতা আৰু উৎপাদনশীলতা কেনেদৰে পৰিমাপ কৰিব পাৰি বর্ণনা কৰা।

(d) Write a short note on SHG-Bank Linkage Programme.

আত্মসহায়ক গোট-বেংক সংযোগী আঁচনিৰ ওপৰত এটি চমু টোকা লিখা।

(e) Briefly discuss the Grameen Bank model of microfinance.

ক্ষুদ্রবিত্তৰ গ্রামীণ বেংক আৰ্হি সংক্ষিপ্তে আলোচনা কৰা।

(f) What are the objectives of microfinance ?

ক্ষুদ্রবিত্তৰ উদ্দেশ্যসমূহ কি কি ?

(g) State various sources of funds of microfinance institution.

ক্ষুদ্রবিত্ত প্রতিষ্ঠানৰ পুঁজিৰ বিভিন্ন উৎসসমূহ বর্ণনা কৰা।

(h) State the characteristics of microfinance.

ক্ষুদ্রবিত্তৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰা।

4. Answer ***any four*** of the following questions in about **600** words each : 10×4=40

নিম্নোক্ত *যিকোনো চাৰিটা* প্রশ্নৰ উত্তৰ প্রতিটো ৬০০টা মান শব্দৰ ভিতৰত কৰা ঃ

(a) Discuss various provisions of the Microfinance Institutions (Development and Regulation) Bill, 2012 with regard to microfinance in India.

ভাৰতবর্ষত ক্ষুদ্রবিত্ত সম্পর্কত ক্ষুদ্রবিত্ত প্রতিষ্ঠান (উন্নয়ন আৰু নিয়ন্ত্রণ) বিল, ২০১২ -ৰ ব্যৱস্থাৱলীসমূহ আলোচনা কৰা।

Nagaon College Library * Nagaon : Assam * No. Date

(b) Discuss various laws governing microfinance activities in India.

ভাৰতবৰ্ষত ক্ষুদ্ৰবিত্ত কাৰ্য নিয়ন্ত্ৰণ কৰা বিভিন্ন আইনসমূহৰ আলোচনা কৰা।

(c) What is impact assessment? Explain how impact assessment helps in measuring social performance.

প্ৰভাৱ মূল্যাংকন কি ? প্ৰভাৱ মূল্যাংকনে সামাজিক কৰ্মমান পৰিমাপ কৰাত কেনেদৰে সহায় কৰে ব্যাখ্যা কৰা।

(d) What are various types of risks associated with microfinance? Explain how these risk can be managed.

ক্ষুদ্ৰবিত্তৰ লগত জড়িত থকা বিভিন্ন প্ৰকাৰৰ ক্ষতিশংকাসমূহ কি কি? এই ক্ষতিশংকাসমূহ কিদৰে পৰিচালিত কৰিব পাৰি ব্যাখ্যা কৰা।

(e) Discuss various problems of microfinance. Give some suggestions to overcome these problems.

ক্ষুদ্ৰবিত্তৰ বিভিন্ন সমস্যাসমূহ আলোচনা কৰা। এই সমস্যাসমূহ অতিক্ৰম কৰাৰ বাবে কিছুমান পৰামৰ্শ আগবঢ়োৱা।

(f) "NABARD has played an important role in promotion of microfinance in India." Discuss.

"ভাৰতবৰ্ষত ক্ষুদ্ৰবিত্তৰ উন্নয়নত নাবার্ডে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।" আলোচনা কৰা।

(g) Give a detailed account on various models of microfinance institutions.

ক্ষুদ্ৰবিত্ত প্ৰতিষ্ঠানৰ বিভিন্ন আৰ্হিসমূহৰ ওপৰত এটি বিশদ বিৱৰণ দিয়া।

(h) Discuss the structure of microfinance institutions in India.

ভাৰতবৰ্ষত ক্ষুদ্ৰবিত্ত প্ৰতিষ্ঠানৰ গাঠনি আলোচনা কৰা।

(i) Discuss the development of microfinance in India.

ভাৰতবৰ্ষত ক্ষুদ্ৰবিত্তৰ বিকাশ আলোচনা কৰা।

(j) "Microfinance is the effective tool of socio-economic development of poor people." Explain the statement.

"ক্ষুদ্ৰবিত্ত দৰিদ্ৰ লোকৰ আৰ্থ-সামাজিক উন্নয়নৰ ফলদায়ক আহিলা।" উক্তিটো ব্যাখ্যা কৰা।

Kan College Library * Nagaon, Assam * No. Date